জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬১/২০২১

# মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীত আয়োজিত অসম ভিত্তিত অংকীয়া ভাওনা সমাৰোহৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## গুৰুদুজনাৰ দৰ্শনেৰে সমাজখন আগুৱাই নিব লাগিব ঃ মুখ্যমন্ত্ৰী

## উঠি অহা প্ৰজন্মৰ মাজত গুৰু দুজনাৰ সৃষ্টিৰাজিৰ চৰ্চাৰ জৰিয়তে মানৱীয় মূল্যবোধ সবল কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে যি অমৰ সৃষ্টি কৰি গ'ল, সমাজক সাহিত্য, সাংস্কৃতিক চেতনা আগবঢ়ালে সেই শক্তিক সম্বল হিচাপে লৈ একবিংশ শতিকাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত অসমীয়া জাতিয়ে নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে। এই সম্পদৰাজি ব্যৱহাৰ কৰি সমাজ গঢ় দিয়াৰ বাবে উঠি অহা প্ৰজন্মক উৎসাহিত কৰিব লাগিব। গুৰু দুজনাৰ সৃষ্টিৰাজিৰ চৰ্চাৰ জৰিয়তেহে এইসমূহ শক্তিৰ উচিত উপলব্ধি সম্ভৱ।' মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থান লেটেকুপুখুৰীৰ উদ্যোগত শ্ৰীশ্ৰী বদলা পদ্ম আতা সেৱা সমিতি, অসম আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজ, গুৱাহাটীৰ সহযোগত শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থান লখিমপুৰ জিলাৰ লেটেকুপুখুৰী বৰনাৰায়নপুৰত আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা অসম ভিত্তিত অংকীয়া ভাওনা সমাৰোহ -২০২১ উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উদ্বোধনী কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থানৰ মণিকুট গৃহৰ আধাৰশিলা স্থাপন কৰে আৰু ভাওনা সমাৰোহৰ স্মৃতিগ্ৰন্থও উন্মোচন কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নামঘৰ প্ৰতিষ্ঠা কৰি সমতা আৰু একতাৰ ভেটি সুদৃঢ় কৰাৰ লগতে মানুহৰ মনৰ মলিনতা নাইকীয়া কৰি এখন সুন্দৰ সমাজ গঢ় দিবলৈ প্ৰয়াস কৰিছিল। এগৰাকী ব্যক্তিৰ চিন্তা আৰু ব্যক্তিত্বত মানৱীয় মূল্যবোধ প্ৰকাশ পায়। উঠি অহা প্ৰজন্মৰ মাজত শক্তিশালী মানৱীয় মূল্যবোধ যাতে গঢ় লৈ উঠে তাৰ বাবে গুৰুদুজনাৰ চিন্তা-চেতনা মনত ৰোপন কৰিব লাগিব। বৰ্তমানৰ বিজ্ঞান-প্ৰযুক্তিৰ যুগতো সমাজৰ পৰা অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰ হোৱা নাই। গুৰু দুজনাৰ আদৰ্শৰে সমাজৰ পৰা এইসমূহ আঁতৰ কৰিবই লাগিব। অংকীয়া সমাৰোহৰ দৰে কাৰ্যসূচীয়ে উঠি অহা প্ৰজন্মৰ মাজত সংস্কাৰ গঢ় দিবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

অংকীয়া ভাওনা সমাৰোহৰ দৰে কাৰ্যসূচীৰ জৰিয়তে উঠি অহা প্ৰজন্মই সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক চেতনা বুটলিবলৈ সক্ষম হ'ব। এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মানুহে মানুহ হিচাপে এজনে আনজনৰ মূল্যাংকন কৰিবলৈ হ'লে মানৱীয় মূল্যবোধৰ আধাৰত বিচাৰ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অন্ধবিশ্বাস আৰু দুস্কৃতি সমাজৰ পৰা আঁতৰ কৰিবলৈ সকলোৰে সমূহীয়াভাৱে দায়িত্ব ল'ব লাগিব। গুৰু ভক্তিৰে জীৱনৰ বাটত অগ্ৰসৰ হোৱাৰ প্ৰয়াস কৰিলে শান্তি, সম্প্ৰীতি, প্ৰেম আৰু ভাতৃত্ববোধৰ আধাৰত এখন আদৰ্শ সমাজ নিৰ্মাণ কৰাটো সম্ভৱ হ'ব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গুৰু দুজনাই আমাৰ সমাজ জীৱনৰ বাবে শক্তিশালী সামাজিক, সাংস্কৃতিক ভৰাঁল গঢ় দি গৈছে। সেই সম্পদ ব্যৱহাৰ কৰি সমাজ শক্তিশালী কৰাৰ বাবে উঠি অহা প্ৰজন্মক উৎসাহিত কৰিব লাগিব। গুৰুদুজনাই দি যোৱা জ্ঞানেৰে সকলো প্ৰত্যাহ্বান মোকাবিলা কৰাটো সম্ভৱ বুলি উল্লেখ কৰি তেওঁ কয় যে বিজ্ঞান আৰু প্ৰযুক্তিৰ শিক্ষাৰ সমান্তৰালভাৱে আধ্যাত্মিক আৰু সাংস্কৃতিক শিক্ষা দিলেহে আজিৰ প্ৰজন্মই সমাজত শৃংখলা আৰু শান্তি অধিক শক্তিশালী কৰিব পাৰিব। গুৰু দুজনাৰ দৰ্শনেৰে সমাজখনক আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ তথা অংকীয়া ভাওনা সমাৰোহৰ আদৰণী সমিতিৰ সভাপতি জনাৰ্দ্দন দেৱ গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা উদ্বোধনী অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰক 'সেৱক শিৰোমণি' উপাধি প্ৰদান কৰা হয়। উদ্বোধনী অনুষ্ঠানত বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা, বৰদোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীকে ধৰি কেইবাগৰাকীও সত্ৰাধিকাৰ, বিহপুৰীয়া সমষ্টিৰ বিধায়ক দেবানন্দ হাজৰিকা, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যাবাহী সদস্য কুমুদ কছাৰী, দুলীয়াজান নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, জ্যোতি চিত্ৰবনৰ অধ্যক্ষ পৱিত্ৰ মাৰ্ঘেৰিটা, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰেমধৰ বৰা, দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক চন্দন কুমাৰ চৌৰে, এন এইচ পি চিৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাৰ্যবাহী সঞ্চালক অৰবিন্দ ভাটকে ধৰি বহু গণ্য-মান্য ব্যক্তি উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে।

**বীঃগঃ**
**২৭/১০/২০২০**